# অসম বিধান সভা
## তৰাবিহীন প্ৰশ্ন নং –২৮৭
## উত্তৰ দিয়াৰ তাৰিখ –১৩/০৭/২০২৬

বিষয়ঃ **ক্ৰীড়া জগতক উন্নয়ন কৰাৰ ক্ষেত্ৰত স্থানীয় বিভাগে লোৱা পদক্ষেপৰ সম্পৰ্কে ।**

শ্ৰী সুৰেন ফুকনঃ

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ডিগবৈ সমষ্টিৰ যুৱক সকলৰ বাবে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ পৰা কি কি আঁচনি ৰূপায়ণ হৈ আছে ?

(খ) ৰাজ্যিক পৰ্য্যায়ৰ লগতে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ক্ৰীড়াৰ বাবে সাজু কৰিবলৈ বিভাগৰ ফালৰ পৰা স্থানীয় পৰ্য্যায়ত কি কি কাৰ্য্যসূচী ৰূপায়ণ হৈ আছে বিতংকৈ জনাব।

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ **মন্ত্ৰী শ্ৰীযুত বিশ্বজিৎ দৈমাৰী** মহোদয়ে উত্তৰ দিবঃ

(ক) তিনিচুকীয়া জিলাৰ ডিগবৈ বিধানসভা সমষ্টিৰ যুৱকসকলৰ সহায়ক হোৱাকৈ অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ অধীনৰ আঁচনিসমূহঃ

১. অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ দ্বাৰা Signature Project-ৰ অধীনত ৯,৮০,৫১,৯০০.০০ টকা ব্যয়েৰে ডিগবৈ বিধানসভা সমষ্টিত "Construction of Stadium at Tingrai, Digboi LAC" আঁচনিখন কাৰ্যকৰী কৰি জিলা ক্ৰীড়া বিষয়া, তিনিচুকীয়ালৈ হস্তান্তৰ কৰা হৈছে। কিন্তু অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত মৰ্মে, উক্ত ষ্টেডিয়ামখন Board of Sports of Assam-লৈ হস্তান্তৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

২. ২০২৪-২৫ বিত্তীয় বৰ্ষত ডিগবৈ বিধানসভা সমষ্টিত Youth Sports Club লৈ "Providing of Financial Assistance and Sports, Gym Equipment to 126 selected Youth Clubs of the State (LAC wise)" আঁচনিৰ অধীনত ৫ লাখ টকাৰ আৰ্থিক অনুদান, ৫ লাখ টকাৰ ক্ৰীড়া সামগ্ৰী, আৰু ৫ লাখ টকাৰ জিমৰ আহিলা প্ৰদান কৰা হৈছে।

৩. অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত অনুসৰি, ডিগবৈ বিধানসভা সমষ্টিত ১৪,০৫,০২,০০০.০০ টকা ব্যয়েৰে লোকনিৰ্মাণ বিভাগৰ দ্বাৰা "Construction of Multipurpose Centre and Indoor Stadium along with Swimming Pool in Tingrai in Digboi (Phase -I)" আঁচনিখন ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। ইতিমধ্যে লোকনিৰ্মাণ বিভাগে এই নিৰ্মাণকাৰ্যৰ বাবে আৱন্টন দিছে।

৪. ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত সমগ্ৰ ৰাজ্যৰে ৫০০ খন খেলপথাৰ উন্নয়নৰ বাবে ১০০ কোটি টকা ব্যয়জড়িত এখন আঁচনি ৰূপায়ণ কৰি আছে। প্ৰতিখন খেলপথাৰৰ বাবে ২০ লাখ টকা ধাৰ্য কৰা হৈছে আৰু নিৰ্বাচিত হিতাধিকাৰীসকলক খেলপথাৰ উন্নয়নৰ বাবে বিভাগীয় নিয়মানুসাৰে পুঁজি মোকলাই দি থকা হৈছে।

এই আঁচনিখনৰ অধীনত ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিগবৈ উন্নয়ন খণ্ডৰ টিংৰাই ৰজনীকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰখন উন্নয়নৰ কাৰণে বাচনি কৰি বৰ্তমানলৈ ১৬ লাখ টকা দুটা কিস্তিত (প্ৰতিটো কিষ্টিত ৮ লাখ টকাকৈ) মোকলাই দিয়া হৈছে। বৰ্তমান খেলপথাৰখনৰ উন্নয়নৰ কামৰ ভৌতিক অগ্ৰগতি ৮০ শতাংশ।

লগতে, প্ৰতিখন খেলপথাৰলৈ ১ লাখ টকাৰ ক্ৰীড়া সামগ্ৰী যোগান ধৰা হৈছে।

৫. আগন্তক ৫ বছৰত চৰকাৰে অসমৰ প্ৰতিটো বিধানসভা সমষ্টি /ব্লক পৰ্য্যায়ত এটাকৈ ষ্টেডিয়াম নিৰ্মাণৰ পৰিকল্পনা কৰি থকা হৈছে।

খ) সমগ্ৰ ৰাজ্যৰ যুৱক-যুৱতীসকলৰ মাজত ক্ৰীড়াৰ বিকাশ, সুপ্ত প্ৰতিভা চিনাক্তকৰণ আৰু ক্ৰীড়া সংস্কৃতি গঢ়ি তোলাৰ উদ্দ্যেশ্যে তৃণমূল পৰ্যায়ৰ পৰা অসমৰ সৰ্ববৃহত্ ক্ৰীড়া প্ৰতিযোগিতা খেল মহাৰণ সফলভাৱে অনুষ্ঠিত কৰি অহা হৈছে। ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত সমগ্ৰ ৰাজ্যৰে গাঁও পঞ্চায়ত / নগৰ ৱাৰ্ডৰ পৰা আৰম্ভ কৰি সমষ্টি, জিলা, আৰু ৰাজ্যিক পৰ্যায়ত এথলেটিকছ্, ফুটবল, কাবাডী, ভলীবল, দবা, আদি ক্ৰীড়া অনুষ্ঠিত কৰা খেল মহাৰণে ডিগবৈ বিধানসভা সমষ্টিকো সামৰি লৈছে। ইয়াৰ ফলত এই সমষ্টিৰ অধিকসংখ্যক যুৱক-যুৱতীক ক্ৰীড়াৰ সৈতে সংযুক্ত কৰাৰ লগতে প্ৰতিভাৱান খেলুৱৈসকলক চিনাক্ত কৰাত সহায়ক হৈছে।

বিভাগে পিলিক চৌধুৰী মেম'ৰিয়েল (১৫ বছৰ অনুৰ্ধ ল'ৰা), দেওকণ মেম'ৰিয়েল (১৭ বছৰ অনুৰ্ধ ল'ৰা) আৰু নৃপেন্দ্ৰ নাৰায়ণ সিংহ মেম'ৰিয়েল (১৭ বছৰ অনুৰ্ধ ছোৱালী)ৰ আন্তঃজিলা বিদ্যালয় ফুটবল ক্ৰীড়া প্ৰতিয়োগীতাৰ যোগেদি ৰাজ্যিক বিজয়ী দলকেইটাক সুব্ৰত মুখাৰ্জী ৰাষ্ট্ৰীয় প্ৰতিযোগীতাত অংশগ্ৰহণৰ বাবে প্ৰেৰণ কৰা হয়। লগতে, আন্তঃজিলা বিদ্যালয় হকী প্ৰতিয়োগীতাত (১৭ বছৰ অনুৰ্ধ ল'ৰা আৰু ছোৱালী) ৰাজ্যিক বিজয়ী দলকেইটাক জৱাহৰ লাল নেহৰু ৰাষ্ট্ৰীয় হকী প্ৰতিযোগীতাত অংশগ্ৰহণৰ বাবে প্ৰেৰণ কৰা হয়।

তদুপৰি, School Games Federation of India (SGFI)-ৰ দ্বাৰা অনুষ্ঠিত বিভিন্ন খেল প্ৰতিযোগীতাত অংশগ্ৰহণ কৰিবৰ বাবে সময়ে সময়ে বাছনি শিবিৰ অনুষ্ঠিত কৰি SGFI-য়ে নিৰ্ধাৰণ কৰি দিয়া বয়স অনুসৰি ৰাজ্যিক দল প্ৰেৰণ কৰা হয়।

ইয়াৰ উপৰিও, তিনিচুকীয়া জিলাত Khelo India আঁচনিৰ অধীনত, TinsukiaCommerce College-ত ফুটবল আৰু ফেন্সিং-ৰ দুটা Small Khelo India Centre আছে। য'ত নিয়মীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰি থকা হৈছে।

*********